**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি খানাপাৰাত ৰাজ্য চৰকাৰৰ নিযুত মইনা আঁচনিৰ ধন বিতৰণৰ শুভাৰম্ভণি।

২। অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাই ৰাজ্যৰ সাংস্কৃতিক পৰ্যটন ক্ষেত্ৰ সমৃদ্ধ কৰিব বুলি অসম প্ৰকাশন পৰিষদৰ সচিবৰ মন্তব্য।

৩। ৰাজ্য চৰকাৰৰ সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা ২০২৪ৰ বাবে মনোনয়ন আহ্বান। **আৰু**

৪। ডুবাইত চলি থকা আই চি চি মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত-পাকিস্তানৰ মুখামুখি।

oooooo

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া সভাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰিব। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এটা পদক্ষেপ। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বিয়েডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰিব।

oooooo

বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ২০১৯ চনত শিক্ষা মন্ত্ৰী হৈ থাকোতেই অসমীয়া ভাষাৰ ধ্ৰপদী মৰ্যাদাৰ বাবে প্ৰচেষ্টা চলাইছিল। অসম প্ৰকাশন পৰিষদৰ সৈতে বৈঠকত মিলিত হৈ তদানীন্তন শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সেই সময়তে বিষয়টো সন্দৰ্ভত চৰকাৰৰ সদিচ্ছা প্ৰকাশ কৰিছিল। কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰিছে। শ্ৰী কলিতাই কয় যে, ২০১৪ চনত ধ্ৰুপদী মৰ্যাদা পোৱা উড়িয়া ভাষা এইক্ষেত্ৰত অসমৰ বাবে পথ প্ৰদৰ্শক হিচাপে পৰিগণিত হ'ল। অসম প্ৰকাশন পৰিষদে অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাৰ বাবে ওড়িশা চৰকাৰ আৰু ভাষাবিদ সকলৰো দিহা-পৰামৰ্শ গ্ৰহণ কৰিছিল। প্ৰকাশন পৰিষদে অসমীয়া ভাষাৰ ড'চিয়াৰ প্ৰস্তুতৰ

বাবে ওড়িশাৰ ড°চিয়াৰক আৰ্হি হিচাপে গ্ৰহণ কৰা বুলি শ্ৰী কলিতাই প্ৰকাশ কৰিছে। তেওঁ এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, বৰ্তমানৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, প্ৰাক্তন সাংসদ আব্দুল খালেক আৰু বিধায়ক বিশ্বজিৎ ফুকনৰ শলাগ লয়। ৰাজনৈতিক সদিচ্ছা অবিহনে অসমীয়া ভাষাই এই সন্মান পোৱাটো কঠিন হ'লহেতেন বুলিও শ্ৰী কলিতাই লগতে কয়। অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাই ভাষাটোৰ প্ৰচাৰ, সংৰক্ষণ আৰু গৱেষণাৰ পথ মুকলি কৰিব বুলি উল্লেখ কৰি সচিবগৰাকীয়ে কয় যে, এই সন্মান লাভ কৰাৰ পাছত অসমৰ সাহিত্যৰ টোকা, সাঁচিপাতৰ পুথিৰ ডিজিটেল সংৰক্ষণ আৰু পৰম্পৰাগত ৰীতি-নীতি, কলাৰ সংবৰ্দ্ধনৰ বাবে বিশেষ পুঁজি লাভ কৰাতো সম্ভৱ হ'ব। প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ঐতিহাসিক কীৰ্তিচিহ্ন, প্ৰাচীন পুথিভঁৰাল, সাংস্কৃতিক পৰ্যটনকেন্দ্ৰলৈ ৰূপান্তৰ কৰিব পৰা যাব বুলিও তেওঁ কয়। তেনে ক্ষেত্ৰত অসমৰ পৰ্যটন ক্ষেত্ৰ সমৃদ্ধ হ'ব বুলি শ্ৰী কলিতাই আশা প্ৰকাশ কৰে। নতুন শিক্ষানীতি অনুসৰি কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত ধ্ৰুপদী ভাষাৰ গৱেষণা আৰু বিশেষ পাঠ্যক্ৰমৰ ব্যৱস্থা থাকিব বুলি উল্লেখ কৰি অসমীয়া ভাষাৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰ প্ৰতিষ্ঠা, ধ্ৰুপদী ভাষাত গৱেষণাৰ বাবে শিক্ষাৰ্থীলৈ জলপানি আগবঢ়োৱা হ'ব বুলিও তেওঁ প্ৰকাশ কৰিছে।

০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো দুদিন থকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। অৱশ্যে বিগত ২-৩ দিন ধৰি হৈ থকা বৰষুণৰ ফলত পূজাৰ মণ্ডপসমূহৰ প্ৰস্তুতিত কিছু সমস্যাই দেখা দিছে। প্ৰতিকুল বতৰকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে পূজাৰ বাবে বজাৰ সমাৰকে ধৰি অন্যান্য প্ৰস্তুতি চলাই আছে। ইপিনে, শাৰদীয় নৱৰাত্ৰিৰ কালি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। অহা বুধবাৰে ষষ্ঠীৰ বেদীত দেবী প্ৰতিষ্ঠা কৰা হব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা সম্পন্ন হয়। যোৱা ২৬ চেপ্তেম্বৰত কামাখ্যা ধামত পূজা আৰম্ভ হৈছে। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়। এই উপলক্ষে মন্দিৰ প্ৰাঙ্গন পোহৰ আৰু ফুলেৰে সজাই পৰাই তোলাৰ লগতে এই সময়ছোৱাত অগণন ভক্তৰ সমাগম হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে আগবঢ়োৱা সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা ২০২৪ৰ বাবে মনোনয়ন আহ্বান কৰিছে। এই বঁটাৰ বাবে কোনো ব্যক্তিয়ে নিজৰ নাম অথবা সমাজলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত অনবদ্য অৰিহনা আগবঢ়োৱা আন বিশিষ্ট ব্যক্তিৰ নাম জিলা আয়ুক্ত নাইবা assamcivilianawards.assam.gov.in-ত মনোনয়ন কৰিব পাৰে। মনোনয়ন দাখিলৰ অন্তিম তাৰিখ অহা ৩১ অক্টোবৰ। অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা লাভ কৰা ব্যক্তিসকলে বিভিন্ন চৰকাৰী সা-সুবিধা লাভ কৰিব।

০০০০০০

ৰাজ্যত শেহতীয়াকৈ হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বহু অঞ্চল পুনৰ বানৰ কবলত পৰিছে। ধেমাজি, ধুবুৰী, মানকাচৰ, গোৱালপাৰা আদিত শেহতীয়াকৈ বানে পুনৰ জটিল ৰূপ ধাৰণ কৰিছে। ধেমাজি জিলাৰ পৰিস্থিতি অধিক জটিল হোৱাৰ বাবে প্ৰশাসনে জোনাইত এটা আশ্ৰয় শিবিৰ মুকলি কৰিছে। এই শিবিৰত সম্প্ৰতি ১২৯ গৰাকী লোকে আশ্ৰয় লৈ আছে। আনহাতে গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহচক্ৰৰ অন্তৰ্গত বামুণপাৰাত দুধনৈ নৈৰ বাঢ়নি পানীয়ে বিস্তৃৰ্ণ অঞ্চল বুৰাই পেলাইছে। নেৰানেপেৰা বৰষুণৰ ফলত নৈখনৰ পানী ওফন্দি উঠাত বান্ধ ছিগি মাটিয়া ৰাজহচক্ৰৰ অন্তৰ্গত বামুনপাৰা গাঁৱৰ লগতে বাকাইটাৰী আৰু নন্দেশ্বৰ গাঁও বুৰাই পেলাই। বাঢ়নি পানীয়ে গাঁও তিনিখনৰ পথ আদি বুৰাই পেলোৱাত ৰাইজৰ মাজত

হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত অধিক তথ্য বাবে আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনৰ ওচৰলৈ যাব বিচাৰিছোঁ—

**(ভইচ কাষ্ট)**

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি উত্তৰ-পূব আৰু দক্ষিণ ভাৰতত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ পূৰ্বাভাস প্ৰকাশ কৰিছে। বিভাগটোৱে কৈছে যে, অনাগত দিনসমূহত উত্তৰ-পশ্চিম, পশ্চিম আৰু মধ্য ভাৰতত বৰষুণৰ কোনো বিশেষ সম্ভাৱনা নাই। অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, আৰু তামিলনাডুত অহা ২-৩ দিনত প্ৰচুৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশস্বৰূপে কাইলৈ পুনৰ নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহ, ভাঙাগড়ত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাο ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰেৰণ কৰা হৈছিল।

০০০০০০

ৰাজ্য চৰকাৰে কাইলৈ কৃষি যন্ত্ৰপাতি আৰু ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্ৰ মুকলি অনুষ্ঠানৰ আয়োজন কৰিছে। গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কাইলৈ হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। এই অনুষ্ঠানত কৃষি যান্ত্ৰিকীকৰণৰ উপ অভিযানৰ অধীনত ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ যন্ত্ৰকে ধৰি বিভিন্ন যন্ত্ৰপাতি মুকলি কৰা হ'ব। কৃষকৰ মাজত চাৰি লাখতকৈও অধিক সংখ্যক ভূমি স্বাস্থ্য-পত্ৰ বিতৰণ কৰাৰ লগতে ২১ টা কৃষি জ্ঞান কেন্দ্ৰও মুকলি কৰা হ'ব।

০০০০০০

হাৰিয়ানা বিধানসভাৰ ৯০ খন আসনৰ বাবে কালি অনুষ্ঠিত নিৰ্বাচনত প্ৰায় ৬৭ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰে। এটা পৰ্যায়ত অনুষ্ঠিত এই ভোটগ্ৰহণ শান্তিপূৰ্ণ আছিল। সকলো বয়সৰ ভোটদাতাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত দীঘলীয়া শাৰি পতা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে কালিৰ নিৰ্বাচনত ১০০ বছৰ ঊৰ্ধৰ ভোটদাতাৰ লগতে বহুসংখ্যক বয়োজ্যেষ্ঠ ভোটদাতাই ভোটদান কৰে। মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ লগতে নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু ডο সুখবীৰ সিং সান্ধুৱে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সূক্ষ্মভাৱে নিৰীক্ষণ কৰে। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে এইবাৰ ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাৰ লগতে বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে ঘৰৰ পৰাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ সুবিধা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে কালি হৈ যোৱা বিধানসভা নিৰ্বাচনৰ ভোটগণনা অহা ৮ অক্টোবৰত কৰা হ'ব। একেদিনাই জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰো ভোট গণনা কৰা হ'ব। ইতিমধ্যে জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনোত্তৰ সমীক্ষা বিভিন্ন সংস্থাই প্ৰকাশ কৰিছে।

০০০০০০

ডুবাইত চলি থকা আই চি চি মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল আজি ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৩ বজাত খেলখন আৰম্ভ হ'ব। খেলখনত জয়লাভ কৰিব পাৰিলে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে প্ৰতিযোগিতাৰ

প্ৰথমটো পইণ্ট লাভ কৰিব। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ভাৰতীয় দল টোৱে নিউজিলেণ্ডৰ হাতত পৰাস্ত হৈছিল। খেলৰ পূৰ্বে হোৱা সংবাদমেলত ভাৰতীয় দলটোৰ সহকাৰী প্ৰশিক্ষক অভিষাৰ ছালভিয়ে কয় যে, ভাৰতে কেনেদৰে পৰাজয়ৰ পৰা বিজয়ৰ দিশত আগবাঢ়িব লাগে সেয়া ভালদৰে জানে। ইপিনে পাকিস্তানে নিজৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাস্ত কৰে।

০০০০০০

নিৰ্বাচনৰ অন্তত প্ৰকাশিত এগজিত পলত ১০ বছৰৰ পাছত হাৰিয়ানাত কংগ্ৰেছে চৰকাৰ গঠন কৰাত সম্ভাৱনা আৰু জম্মু-কাশ্মীৰত ওলমা বিধানসভাৰ হোৱাৰ সম্ভাৱনাক লৈ গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতেই এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। স্মাৰ্ট মিটাৰৰ আতিশয্য বন্ধৰ দাবীত ৰাজ্যজুৰি ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰাৰ বাতৰিটো প্ৰায় আটাইকেইখন কাকতেই আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পৰিসংখ্যা আৰু কৰ্মসূচী মন্ত্ৰালয়ৰ প্ৰতিবেদনত দেশত নিবনুৱাৰ সংখ্যা কমা নাই, আয়হে কমিছে বুলি এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিয়াৰ অভিযানত ৰাজ্যত ১০ জনক গ্ৰেপ্তাৰ হোৱাৰ বাতৰিটো প্ৰায় আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মন্ত্ৰী ৰঞ্জিত দাসৰ বিৰুদ্ধে বিধানসভাৰ অধ্যক্ষই মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই বাতৰিটো দৈনিক জনমভূমি আৰু দৈনিক অগ্ৰদূত কাকতে কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে চৰকাৰী কৰ্মচাৰীৰ সমপৰ্যায়ত টিউটৰক দৰমহা দিয়াৰ নিৰ্দেশ দিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কালি সম-জিলা উদ্বোধনৰ বাতৰিটো আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। সাৰদা কেলেংকাৰিৰ গোচৰৰ অসমত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দিল্লীত প্ৰতিদিন গোষ্ঠীৰ কনক্লেভ উদ্বোধন কৰি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে উত্তৰ পূৰ্বাঞ্চল ভাৰতৰ হৃদয় - আত্মা বুলি কৰা মন্তব্য সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এখন ৰাজ্যই মুঠ জি এছ ডি পিৰ ৩২ শতাংশলৈ ঋণ লব পাৰে বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰা এটা মন্তব্য অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যত কিছুদিনলৈ বৰষুণ অব্যাহত থাকিব বুলি এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে : মেঘালয়ৰ দুই গাৰো পাহাৰ জিলাত বান, ভূস্খলনত ১০ জনৰ মৃত্যু, কাজিৰঙাত গঁড় নিধনৰ সুযোগ বিচাৰি থকা 8 চোৰাং চিকাৰী জালত, Assam farmers get Rs 403 crore under PM kishan, এতিয়াৰ পৰা অসম সন্মিলিত মৰ্চা নামেৰে জনা যাব বিৰোধী ঐক্য মঞ্চক, বজালীক পূৰ্ণ পৰ্যায়ৰ জিলা ঘোষণা নকৰাত প্ৰতিবাদ, Rains in state to continue ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত